জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭৯/২০২২**

# বৰদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছা

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পৱিত্ৰ বৰদিন উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বী জনসাধাৰণৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আমাৰ আধ্যাত্মিক জীৱনধাৰাত প্ৰভু যীশুৰ মানৱতাৰ বাণীসমূহে জীৱনৰ বাটত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। সমাজখনক ঐক্যবদ্ধ কৰা, শান্তিপূৰ্ণ সহাৱস্থান আৰু শৃংখলাবোধ জীৱন-যাপনৰ বাবে যীশুৰ দৰ্শনসমূহে আমাক শক্তিশালী পথ দেখুৱাই আহিছে। পৱিত্ৰ বৰদিন উদ্‌যাপনে ৰাজ্যবাসীৰ মাজত বন্ধুত্বপূৰ্ণ আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় কৰাৰ উপৰি এক শক্তিশালী আধ্যাত্মিক চেতনা গঢ় দি সমাজখনলৈ শান্তি-সম্প্ৰীতি আৰু প্ৰগতি কঢ়িয়াই আনিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সামাজিক মূল্যবোধ গঢ়ি তোলাৰ দিশত যীশুৰ জীৱন আৰু কৰ্ম-দৰ্শনে মানৱ সমাজক যুগে যুগে প্ৰেৰণা যোগাই যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰদিন উদ্‌যাপনে আমাৰ মাজত সমন্বয়ৰ পৰিৱেশ অধিক সুদৃঢ় কৰি তুলিব বুলিও কয়।

**পুঃডেঃ**
**২৪-১২-২০২২**